# জনসংযোগ, ধেমাজি

প্ৰেছ বিজ্ঞপ্তি: ২০২১/৩৩ তাৰিখ: ২৮ /০৫/২০২১

**ধেমাজি-জোনাইৰ বিভিন্ন অঞ্চল পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰীকাৰ**

**"ধেমাজি জিলাক বানমুক্ত কৰাৰ বাবে লোৱা হ'ব প্ৰয়োজনীয় পদক্ষেপ"**

**শীঘ্ৰে প্ৰয়োজনীয় সকলো কাম সমাপ্ত কৰিবলৈ নিৰ্দেশ বিভাগীয় বিষয়াক**

"বানমুক্ত অসম"ক কাৰ্যকৰী কৰাৰ এক অংশ স্বৰূপে অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰীকাই আজি ধেমাজি জিলাৰ বিভিন্ন মথাউৰী আৰু বানপানীৰ আশংকা থকা স্থানসমূহ পৰিদৰ্শন কৰে। সাংসদ শ্ৰী প্ৰদান বৰুৱা আৰু জোনাই সমষ্টিৰ বিধায়ক শ্ৰী ভুবন পেগুৰ সৈতে মন্ত্ৰীগৰাকীয়ে আজি পুৱাৰ ভাগতে জোনাইৰ ঐৰাম ঘাট, বেৰা চাপৰি, তিনিমাইল আৰু চেঙাজান অঞ্চল পৰিদৰ্শন কৰি মথাউৰীৰ কাম কাজৰ লগতে খহনীয়া অঞ্চলৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ মূখ্য অভিযন্তাৰ উপস্থিতিত আন বিভাগীয় বিষয়াসকলক বানপানীৰ আগে আগে প্ৰয়োজনীয় সকলো ব্যৱস্থা শীঘ্ৰে গ্ৰহণ কৰি ধেমাজি জিলাখনক বানৰ কবলৰ পৰা ৰক্ষা কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰে। চেঙাজান অঞ্চলত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে পৰৱৰ্তী দুটা বছৰত জোনাই অঞ্চলৰ বানপানী তথা খহনীয়া ৰোধৰ বাবে বিশেষভাৱে মন দিব বুলি উল্লেখ কৰে। জোনাইৰ পৰা ধেমাজিৰ পথত মন্ত্ৰী পীযুষ হাজৰীকাই সাতঘৰি অঞ্চল পৰিদৰ্শন কৰি খহনীয়াৰ বুজ লয় আৰু শীঘ্ৰে খহনীয়া ৰোধ কৰাৰ বাবে সকলো ব্যৱস্থা লবলৈ বিভাগীয় বিষয়ববীয়াক নিৰ্দেশ দিয়ে। আনহাতে গাই নদীৰ মথাউৰী পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে মথাউৰীৰ বাকি থকা কাম শীঘ্ৰে সমাপ্ত কৰিবলৈ বিভাগীয় বিষয়ববীয়া আৰু ঠিকাদাৰক নিৰ্দেশ দিয়ে।

বিয়লিলৈ মন্ত্ৰীগৰাকীয়ে ধেমাজি জিলাৰ জীয়াধল অঞ্চল পৰিদৰ্শন কৰি জীয়াধলত বৰ্তমানে চলি থকা কামৰ বুজ লয়। এই ক্ষেত্ৰটো মন্ত্ৰীগৰাকীয়ে প্ৰয়োজনীয় সকলো কাম অতি শীঘ্ৰে শেষ কৰি বানপানীৰ পৰা জিলাখনক মুক্ত কৰাৰ বাবে পদক্ষেপ লবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰে। মন্ত্ৰীগৰাকীক এই যাত্ৰাত সাংসদ শ্ৰী প্ৰদান বৰুৱা, বিধায়ক ভুবন পেগুৰ লগতে স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ডা: ৰণোজ পেগুৱেও সংগ দিয়ে। জীয়াধল অঞ্চলত সংবাদকৰ্মীৰে হোৱা কথোপকথনত মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকাই উল্লেখ কৰে যে অসমৰ ভিতৰতে এখন অন্যতম বানপানী হোৱা অঞ্চল হৈছে ধেমাজি আৰু অসমৰ আন স্থানসমূহৰ লগতে ধেমাজিকো বানমুক্ত কৰাৰ বাবে অসম চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

আজি মন্ত্ৰীগৰাকীৰ এই পৰিদৰ্শন কালত জিলা উপায়ুক্ত শ্ৰী পি বিজয় ভাস্কৰ ৰেড্ডী, আৰক্ষী অধীক্ষক তথা জিলা প্ৰশাসনৰ আন বিষয়াসকলৰ লগতে জলসম্পদ বিভাগৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

**জিলা তথ্য আৰু জনসংযোগ বিষয়া, ধেমাজি**